আল্লাহুম্মা আউজু বিৰিজাকা মিন ছাখাতিক। অবিমুআ-ফাতিকা মিন উকুবাতিক। ওৱা আউজু বিকা মিনকা লা উহচী ছানা-আন আলাইকা, আনতা কামা আছনাইতা আলা নাফছিক।

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই এবাৰ ৰাতিত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক বিছনাত নাপালোঁ। মই তেখেতক বিচাৰিবলৈ ধৰিলোঁ,
হঠাৎ মোৰ হাতে তেখেতৰ দুয়ো ভৰিৰ তালুত স্পৰ্শ কৰিলে। তেখেত ছাজদাহ অৱস্থাত আছিল আৰু তেখেতৰ দুয়ো ভৰিৰ পতা থিয় কৰোৱা আছিল। লগতে তেখেতে এই দুআ পাঠ কৰি আছিলঃ "আল্লাহুম্মা আউজু বিৰিজাকা মিন ছাখাতিক। অবিমুআ-ফাতিকা মিন উকুবাতিক। ওৱা আউজু বিকা মিনকা লা উহচী ছানা-আন আলাইকা, আনতা কামা আছনাইতা আলা নাফছিক।" অৰ্থঃ হে আল্লাহ!
মই তোমাৰ অসন্তুষ্টিৰ পৰা তোমাৰ সন্তুষ্টিৰ আশ্ৰয় বিচাৰোঁ। তোমাৰ শাস্তিৰ পৰা তোমাৰ শান্তি আৰু স্বস্তিৰ আশ্ৰয় বিচাৰোঁ। মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা
কৰোঁ। তোমাৰ প্ৰশংসা হিচাপ কৰাটো মোৰ পক্ষে সম্ভৱ নহয়। তুমি সেইদৰেই প্ৰশংসাৰ যোগ্য যিদৰে তুমি তোমাৰ নিজৰ প্ৰশংসা কৰিছা। [ছহীহ] [(মুছলিম)]

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কাষতে শুই আছিলোঁ, ৰাতিৰ ভাগতে হঠাৎ তেখেতক অনুপস্থিত পালোঁ। সেয়ে মই হাতেৰে তেখেতক বিচাৰি আছিলোঁ হুজৰাৰ যিখিনি ঠাইত তেখেতে নামাজ পঢ়ে। অৱশেষত মই তেখেতক বিচাৰি পালোঁ, তেখেত ছাজদাহ অৱস্থাত আছিল আৰু তেখেতৰ দুয়ো ভৰিৰ পতা থিয় অৱস্থাত আছিল। লগতে তেখেতে এই দুআ পাঠ কৰি আছিলঃ মই মোৰ প্ৰতি আৰু মোৰ উম্মতৰ প্ৰতি তোমাৰ অসন্তুষ্টিৰ পৰা তোমাৰ সন্তুষ্টিৰ আশ্ৰয় বিচাৰোঁ। লগতে তোমাৰ শাস্তিৰ পৰা তোমাৰ অগণন শান্তি আৰু স্বস্তিৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ তোমাৰ সুন্দৰ সুন্দৰ নামৰ জৰিয়তে আৰু বিশেষণৰ জৰিয়তে, তোমাৰ বাহিৰে আন কোনো আশ্ৰয়দাতা নাই। মহান আল্লাহৰ বাহিৰে আন কোনেও আশ্ৰয় দিব নোৱাৰে, সেয়ে তেওঁৰ ওচৰতেই আশ্ৰয় প্ৰাৰ্থনা কৰিব লাগে। মই কেতিয়াও তোমাৰ প্ৰশংসা কৰি শেষ কৰিব নোৱাৰিম, আৰু তোমাৰ নিয়ামত তথা অনুগ্ৰহো গণনা কৰি শেষ কৰিব নোৱাৰিম, যদিও মই যিমানেই চেষ্টা নকৰোঁ কিয়। তুমি নিজে তোমাৰ নিজৰ বাবে যিদৰে প্ৰশংসা কৰিছা, সেইটোৱে তোমাৰ বাবে উপযুক্ত, কোনেও তোমাৰ প্ৰশংসাৰ হক আদায় কৰিব নোৱাৰে।

http://sunnah.global/hadeeth/as/show/3566